ডেকা-গাভৰুৰ

লক্ষণ চ[illegible]ত ।

শ্ৰীদিবাকৰ [illegible] দ্বাৰা সংগৃহীত

এ

শ্ৰী[illegible] উপাধ্যায়ৰ দ্বাৰা

সম্পাদিত।

তৃতীয় সংস্কৰণ।

শ্ৰীশিৱনাথ ভট্টাচাৰ্য্য দ্বাৰা

প্ৰকাশিত।

ডিব্ৰুগড় ।

আসাম [illegible], গৌৰীশঙ্কৰ যন্ত্ৰত;

শ্ৰী[illegible] চক্ৰবৰ্ত্তী দ্বাৰা ছাপা হ'ল।

১৯০১ সন।

বেচ ৷/০ [illegible] অনা মাথোন।

ডেকা গাভৰুৰ।

লক্ষণ চৰিত্ৰ।

———:০:———

শ্ৰীদিবাকৰ ডুবৰাৰ দ্বাৰা সংগৃহীত।

শ্ৰীনকুলচন্দ্ৰ শৰ্ম্মা উপাধ্যায়ৰ দ্বাৰা।

সংশোধিত।

তৃতীয় সংস্কৰণ সংশোধিত আৰু পৰিবৰ্দ্ধিত।

শ্ৰীশিবনাথ ভট্টাচাৰ্য্য দ্বাৰা

প্ৰকাশিত।

ডিব্ৰুগড়।

আসাম বিহাৰি

গৌৰী শঙ্কৰ যন্ত্ৰত

শ্ৰীৰত্নেশ্বৰ চক্ৰবৰ্ত্তী দ্বাৰা ছপা হ'ল

১৯০৯ সন।

———•———

বেচ ।০ চাৰি অনা মাথোন।

সূচী পত্ৰ।

—:•:—

—:•:—



লক্ষণ চৰিত্ৰ।



বিশেষ কথা।

ডেকাৰ সোঁহাতে আৰু গাভৰুৰ বাঁও হাতে সকলো লক্ষণ চাব লাগে।

আগেয়ে পৰমায়ু নোচোৱাকৈ আন বিলাক লক্ষণ চোৱা উচিত নহয়; কিয়নো আয়ুস নেথাকিলে লক্ষণে কৰিব ?

ই দেখি সকলো কথা পাচ কৰি হাত খন মেলি আয়ুসৰ ৰেখা ডালি চাব।



পৰমায়ু।

১। কেঞা আঙুলীৰ গুৰিৰ পৰা যি ডাল আঁক আছে, তাকে আয়ুসৰ আঁক বোলে।

২। কেঞা আঙুলীৰ গুৰিৰ পৰা যদি তৰ্জ্জনী আঙুলীলৈকে আয়ুসৰ আঁক থাকে, তেনেহলে ছকুড়ি বছৰ, মাজৰ আঙুলীলৈকে চাৰিকুড়ি বছৰ কুশ আঙুলীলৈকে থাকিলে ছকুড়ি দহ বছৰ আয়ুস আছে বুলি জানিব।

৩ আয়ুসৰ আঁক ডালৰ ওপৰে যদি অন্য কোনো সৰু আঁক পাৰ হৈ যায়, তেনেহলে সেই গাভৰ অলপ আয়ুস আৰু অপমৃত্যু হব বুলি জানিব।

৪। যাৰ আয়ুসৰ আঁক ভালকৈ নিক্কিলিকে, তেওঁ বিলাকৰো অলপ আয়ু, বুলি জানিব কিন্তু সেই কোনোকেইটা বৰ অময়া সুখত থাকে।

৫। কপাল খন চোপ কৰিলে যিমান ৰেখা হয়, তিমান কুৰি বছৰ জীয়াই থাকে (অৰ্থাৎ আঁক ডাল পাঁচ একুৰি বছৰ আয়ু) বুলি জানিব।

—০✿—

গাভৰু চাৰি ৰকম।

পদ্মিনী, চিত্ৰিণী, শঙ্খিনী, আৰু হস্তিনী।

পদ্মিনী গাভৰুৰ চিন।

যি গাভৰু পদ্মিনী হব, তেওঁৰ গা পদুম ফুলৰ নিচিনা গোন্ধায়। ইয়াৰ বাহিৰেও হৰিণা পহুৰ চকুৰ দৰে চকু জুৰ; কুলি চৰাইৰ দৰে মাত, হাত ভৰিৰ আঙ্গুলী বিলাক ঠোৰালি ঠোৰালি, কেশ চাৰি দীঘল, সকলোকে মৰম লগান পাৰে আৰু গটাইৰে ওপৰত সমান মৰম ৰাখি থাকিলে তেওঁয়েই ঘৰত লক্ষ্মী স্বরূপা হৈ থাকে।
যাৰ ঘৰত পদ্মিনী গাভৰু থাকে, তেওঁ বিলাকৰ কেতিয়াও দুখ নহয় তেওঁৰ গিৰিয়েক বৰ চহকী হয়, আৰু বহুত দিন জীয়াই থাকে (যেনেকৈ ভৰা জালিকাৰ দৰে) গাইঁৰত পোহৰ কৰি থয়।

—•:•:•—

চিত্ৰিনী গাভৰুৰ চিন।

যি গাভৰু চিত্ৰিনী হব, তেওঁ গিৰিয়েকৰ বৰ বাধ্য থাকে, পৰ পুৰুষৰ মুখ নেচায়, লোভীয়া নহয়, সদায়

সঁচা কথা কয় স্বভাৱ চৰিত্ৰও ভাল হয়, মৰম আৰু ক্ষমা গুণ থাকে, দেখিবলৈ সুৱনী আৰু লৰী হয়, বৰ কামাতুৰা নহয়, কম লাজ কুৰীয়া আৰু ধৰ্ম্মলৈ ভক্তি ৰাখি কাম কৰে।

—০✱০—

শঙ্খিনী গাভৰুৰ চিন।

যি গাভৰু শঙ্খিনী হয়, তেওঁৰ গা'টো সদায় খাৰৰ নিচিনা কৈ গোন্ধায় থাকে, বৰ কামাতুৰা, সদায় মুখৰ হাঁহি মুগুচে অৰ্থাৎ বঙ্গিয়াল, স্তন দুটী টান, গা'টো দীঘল শকত, নাকৰ আগ উঠা কথা'বলাক কোমল কপালত বহুত ভাঁজ থাকে, আৰু গিৰিয়েক বা অলপতে ডাঙৰ মানুহলৈ বৰ ভয় নকৰে।

—০✱—

হস্তিনী গাভৰুৰ চিন।

যি হস্তিনী গাভৰু হয়, তেওঁৰ গা'টো গোন্ধায়, সদায় পৰ পুৰুষৰ লগত থাকিবলৈ ইচ্ছা কৰে, কামত অধিক হৈ ফুৰে, চকু দুটী ৰঙা, চুলি বিলাক পাতল আৰু ৰঙা মুখিয়া বৰ হটঙ্গী ও শকট আৰু সদায় মিছাত ফুৰে।

ডেকা চাৰি ৰকম।

শশক, মৃগ, বৃষ, আৰু অশ্ব।

শশক ডেকাৰ চিন।

যি শশক ডেকা হব, তেওঁৰ বৰ গঠান, পৰৰ হিতো-তাৰ মথ চেষ্টায়, সকাতে মিঠা কথা কব, বৰ মিল জুৰ আৰু সভাৰ চাৰিত্ৰ ভাল, কোনো পাপ কামত মন নিদিয়ে আৰু ধৰ্ম্ম মতে চলে,

—•—

মৃগ ডেকাৰ চিন।

যি মৃগ ডেকা হব, তেওঁৰ মন বৰ চঞ্চল সদায় আনন্দত থাকে, বৰ খাহিয়, হাত ভৰিৰ বাহু বিলাক দীঘলীয়া [illegible] আনন্দৰ বৰ ভাল পায়, আৰু আহাৰিক ভালকৈ [illegible] পোচ্ছ ধৰে আৰু চকু ঘূৰিলৈ চালেই যেন সেই মানুহৰ মৰম লাগে।

—•—

বৃষ ডেকাৰ চিন।

যি বৃষ ডেকা হব, তেওঁৰ চকুত টোপনি নাই,

কামাতুৰা, কিন্তু যৌৱন নিলাজ অৰ্থাৎ লাজ নাই, গাভৰু দেখিলে মন চঞ্চল হয়, পাপ কাৰ্য্যলৈ ভয় নকৰে, আৰু হাত ভৰি বিলাক লনী হয়।

•—◦●:::●•—•

অশ্ব ডেকাৰ চিন।

যি অশ্ব ডেকা হব, তেওঁ জাত কুলৰ নিমিত্তে বৰ ভয় নেৰাখে গাভৰু দেখিলেই তেওঁ মন অস্থিৰ হৈ পৰে, লাজ ভয় এৰি কু ইচ্ছা পূৰাবলৈ চায়, অশ্ব জাতি ডেকাৰ প্ৰায় বৰণ কলা হয়, পৰক নিন্দা কৰে ও বিশ কৰে, মোটা বুদ্ধি অৰ্থাৎ বুদ্ধি হীন, লাহে লাহে খোজ কাঢ়িব নোৱাৰে, হাত ভৰি বিলাক দীঘল, স্বভাৱ চৰিত্ৰ বিলাকো বৰ বেয়া আৰু ৰাতি প্ৰায় নোশোৱাকৈয়ে থাকে।

——:✱:——

ডেকাৰ উপযুক্ত গাভৰু।

শশক জাতি ডেকাই পদ্মিনী গাভৰুক, মৃগ জাতি ডেকাই চিত্ৰিণী গাভৰুক, বৃষ জাতি ডেকাই শঙ্খিনী গাভৰুক আৰু অশ্ব জাতি ডেকাই হস্তিনী গাভৰুক বিয়া

কৰাব লাগে। তেহে মিল হয়।

ওপৰত লিখা মতে যদি ডেকা বিলাকে বিয়া কৰে তেনেহলে উভয়ে উভয়ৰ মনত সন্তোষ আৰু আনন্দেৰে দিন কটাব পাৰে।



ডেকাই উপযুক্ত গাভৰু বিয়া নকৰাৰ ফল।

১। শশক ডেকাই যদি হস্তিনী গাভৰুৰ লগত বিহাব কৰে, তেনেহলে তেওঁ খিনাই শুকাই অলপ দিনৰ ভিতৰতে শ্ৰীহত হয়

২ শশক ডেকাৰ ঔৰসত হস্তিনী গাভৰুৰ লৰা ছোৱালী হলে, সেই বিলাক লৰা ছোৱালী বহুত দিন জীয়াই নেথাকে। হস্তিনী গাভৰুক শশক ডেকাই কোনো কাৰ্য্যতেই বা কথাতেই সন্তোষ ৰাখিব নোৱাৰে

৩। শশক ডেকাৰ ঔৰসত যদি শঙ্খিণী গাভৰুৰ লৰা ছোৱালী হয়, সেই লৰা বা ছোৱালী কাৰো লগত মিলিব নোৱাৰে আৰু ভালৰ সঙ্গত থাকি ভাল নেপায়।

৪। শশক ডেকাৰ ঔৰসত যদি চিত্ৰিনী গাভৰুৰ লৰা ছোৱালী হয়, সেই লৰা ছোৱালীৰ পৰা মাক বাপেকে

শোক পায় আৰু কেতিয়াও তাহাতঁৰ সুখ নহয়।

৫। সুগ ডেকাৰ ওঁৰষত পদ্মিনী গাভৰুৰ লৰা ছোৱালী হলে, সেই বিলাক লৰা ছোৱালীয়ে বৰ সুখেৰে থাকে আৰু মাক বাপেকেও তাহাতঁৰ পৰা কিছু দূৰ সুখত থাকিব পাৰে!

৬। সুগ ডেকাৰ ওঁৰষত যদি সঙ্খিনী গাভৰুৰ লৰা ছোৱালী [illegible] সেই বিলাক লৰ বৰ [illegible] আৰু [illegible] ছোৱালী হলে [illegible] টী হয়, [illegible] নাই

৭। [illegible] পদ্মিনী গাভৰুৰ [illegible] দেখিয়া কয় [illegible] আৰু [illegible] তাহাতঁৰ পৰা মাক বাপেকৰ [illegible] শান্তি নহয়

৮। সুগ ডেকাৰ ওঁৰষত হস্তিনী গাভৰুৰ লৰা ছোৱালী হলে [illegible] কিবা লৰা হলে বৰ উৎপাত কৰে, সেই লৰাৰ পৰা মাক বাপেকে সদায় লোকৰ গালি খাব লাগে। আৰু ওচৰ চুবুৰীয়া মানুহবো তাহাঁতৰ পৰা শান্তি নহয়। ছোৱালী হলে মাক বাপেকৰ কলঙ্ক বটায়, ওচৰ চুবুৰীয়া মিতিৰ কু-

টুমৰ স্লগনীয় হয় আৰু তেওঁ দিনে নতুন ডেকাৰে কি-হাব কৰিবলৈ ইচ্ছাকৰে ।

৯ স্থুৰ ডেকাৰ ঔৰষত চিত্ৰিনী গাভৰুৰ ল'ৰ ছো-ৱালী হলে, সেই ল'ৰা ছোৱালীয়ে অলপ দিনতে মা-ক বাপেকক শোক দি পৰলোক কয়

১০ । অশ্ব ডেকাৰ ঔৰসত যদি পদ্মিনী গাভৰুৰ ল'ৰা ছোৱালী হয়, সেই ল'ৰা ছোৱালী নপুংসক আৰু হা-তেই বা ভৰিয়েই নাইকিয়া হয় । এনে ল'ৰা ছোৱা-লী হোৱাই নোহোৱাই সমান, সেই বাবে অশ্ব ডেকাই পদ্মিনী গাভৰুক কেতিয়াও বিয়া কৰাব নেলাগে

১১ । অশ্ব ডেকাৰ ঔৰষত যদি চিত্ৰানী গাভৰু ল'ৰা ছোৱালী হয়, সেই ল'ৰা ছোৱালী উপকাৰ্য্য মৰে, নাইবা এটা চকু কণা হয় ।

১২ অশ্ব ডেকাৰ ঔৰষত শঙ্খিনী গাভৰুৰ লৰা ছো ৱালী হলে, সেই লৰা ছোৱালী বিলাকৰ দুইটা চকু কণা হয় । এনে লৰা ছোৱালী নহলে বৰং মাক বা-পেকে অলপ আনন্দ লৈই থাকিব পাৰিব । সেই দেখি অশ্ব ডেকাই শঙ্খিনী গাভৰুক বিয়া কৰোৱা যে অন্যায়, কিয়নো উভয়ৰে অনিষ্ট হয়, বিশেষ কৈ শঙ্খিনী গাভ ৰুৰ বৰ হানি হয় ।

ডেকাই গাভৰুৰ মন সন্তোষ কৰাবৰ উপায়।

১। পদ্মিনী গাভৰুক ভাল অলঙ্কাৰ, ভাল বিহা মে-খেল দিলে আৰু মৰমীয়াল কথা কলেই সন্তোস পায়।

২ চিত্ৰাণী গাভৰুক ভাল খোৱা বস্তু আৰু ওচৰত বহুৱাই প্ৰেমৰ কথা বা সাধু কথা কলেই তেওঁৰ শি-ৰ মুকুট হ'ব পাৰিব

৩। শঙ্খিনী গাভৰুয়ে যি বস্তু বিচাৰে তেতিয়াই সেই বস্তু পাব লাগে। লোকৰ কোনো এটা ভাল বস্তু দেখিলে তাক লবলৈ ইচ্ছা কৰে। লগৰ সমনীয়া গাভৰুয়ে, যি অলঙ্কাৰ বা ভাল কাপোড় পিন্ধে, সেই বিলাকতকৈ ভাল আৰু তাতকৈ বেছি দামৰ পালেই তেওঁ লৰণা গত হৈ থাকে।

৪। হস্তিনী গাভৰুৰ মন সন্তোস কৰাবলৈ সদায় বহুৱাই ধেমেলীয়া কথা পাতিব লাগে, বিশেস কৈ বেয়া গীত শুনাব লাগে আৰু বেছি কামাতুৰ হলেই তেওঁক বশ কৰিব পাৰিব।

গাভৰুৰ লক্ষণ।

১। যি তিৰোতাৰ হাতৰ তলুৱাত বহুত আঁক দেখিবলৈ পোৱা যায়, তেওঁ গিৰীয়েকৰ মূৰ খায়। যি যিলাকৰ থাকিব লগীয়া আঁক কেড়াকো তালৈকে নিজিলিকে, তেওঁ দুখীয়া আৰু ঘৰে ঘৰে মাগি খাওতেই দিন যায়;

২। যি তিৰোতাৰ হাতৰ তলুৱাত পকা ঘৰ বা দুৱাৰৰ চিন দেখিবলৈ পোৱা যায় তেওঁ নিচ কুলত জনম ললেও ৰাজ ৰাণী হবলৈ পায়। যাৰ হাতত তলুৱাত শংখ, ছাতি বা কাছৰ চিন থাকে, তেওঁ যে ৰাণী নহব তাৰ কোনো ভুল নাই।

৩। যি তিৰোতাৰ হাতৰ তলুৱাত নাংশিং ৬ মাকৰি + বা চক্ৰৰ চিন থাকে, তেওঁ কোনো ঢকলি মানুহৰ ঘৰত পৰে আৰু ল'ৰা ছোৱালী নিলেকো বৰ ধনী হয়। যাৰ গাভৰ চকুৰ দৰে চিন থাকে, তেওঁ হালোৱা চহাৰে গৃহ বাস কৰিবলৈ পায়।

নাৰী খোঁচা কাঠী।

তিৰোতাৰ কামত শিক্ষা দেখিব।

৪। যি তিৰোতাৰ হাতৰ তলুৱাত মাকৰি বা দোলাৰ চিন থাকে তেওঁৰ গিৰীয়েক বহুত দিন জীয়াই থাকে আৰু পুত্ৰ সন্তান হয়। যাৰ হাতৰ তলুৱাত শিয়াল, কেঁকুলি বান, বউৰি, বিছা, সৰ্প, গাধ বা উট থাকে তেওঁ গিৰীয়েকৰ ৰ মৰমীয়াল আৰু তেওঁৰ দুখতে দুখিনী হয়।

৫। যি তিৰোতাৰ বুঢ়া আঙুলীৰ পৰা কেৰ্যা আঙুলীৰ ওচৰলৈকে ওভাল ৰেখা থাকে সেই তিৰোতাই গিৰীয়েকৰ মুখ খায়। জানা শুনা মানে এই লক্ষণৰ তিৰোতাক এৰাই চলিবা চেষ্টা কৰিবা।

৬। যি তিৰোতাৰ বুঢ়া আঙুলীৰ গুৰিৰ পৰ মাকৰলৈকে সকত চক্ৰ নৰ ৰেখায়া আঁক থাকে তেওঁ নষ্ট চৰিত্ৰা, পৰ পুৰুষ প্ৰিয়া আৰু স্বতন্ত্ৰী হৈ থাকে যাৰ কুঞ্চ আঙুলীৰ ৰেখা বিলাক ছিগা তেওঁ পেটকপটা, যাৰ মধ্যমা আঙুলীৰ ৰেখা বিলাক ছিগা তেওঁ বাঁজী আৰু যাৰ কেৰ্যা আঙুলীৰ ৰেখা বিলাক ছিগা তেওঁ বৰ দুখীয়া হয়।

৭। যি তিৰোতাৰ ভৰিৰ বুঢ়া আৰু কেৰ্যা আঙুলী মাটিত নেলাগে তেওঁ বাঁজী হয়। যাৰ তৰ্জনী বা অনামিকা আঙুলী খোজ কাঢ়োঁতে মাটিত নেলাগে তেওঁ

দুখি হয়।

৮। যি তিবোতাই খোজ কাঢ়ি বাওঁতে মাটি কঁপায় যায়, সুন্দিয়া আৰু বহুত খায় তেওঁক পাবা মানে এৰিবলৈ চেষ্টা কৰিবা।

৯ যি তিবোতাৰ ভৰিৰ অনামিকা আঙ্গুলী মাটিত নপৰে তেওঁ সোনকালে গিৰীয়েকৰ মূৰ খায় কিন্তু নিজে বহুত দিনলৈকে জীয়াই থাকে। যাৰ কেইটা আঙ্গুলী মাটীত নপৰে তেওঁ প্ৰথম গিৰীয়েকৰ মূৰ খায়, দ্বিতীয় জনৰ প্ৰিয় পাত্ৰ হয়। যাৰ খোজ কাঢ়োতে ভৰিৰ মাত শুনি তেওঁ বাঁৰী হয়। তিবোতাৰ খৰা চ[illegible] ভৰি হলেও গিৰীয়েকৰ মূৰ খায়।

. যি তিবোতাৰ খোজ ৰাজ হাঁহৰ দেখিয়া আৰু কপাল সৰু সেই তিবোতাই সুখেৰে থাকে আৰু ধন সম্পত্তি হয় যাৰ ভৰি বহল, চাঙ্গৰ অঙ্গুলী, সেকা, শকত আৰু আঙ্গুলী বিলাক সেৰেঙ্গা তেওঁ দুখীয়া হয়

১১ যি তিবোতাৰ ভৰিৰ আঙ্গুলী বিলাক ইটোৱে সিটোৱে লগা লগি থাকে, নখ বিলাক ৰঙ্গা, ভৰিৰ তলুৱা কোমল, ভৰি বহল আৰু কৰঙ্গৰ হাতী শুৰৰ দেখিয়া হলে তেওঁ কল্যান কাৰিণী হয়।

১২। যি তিবোতাৰ আঙ্গুলী বিলাক চেপেটা কেউ

দনী হৈ থাকে। যাৰ আঙ্গুলী বিলাক ইটোৱে সিটোৱে লগা লগি হৈ থাকে তেওঁ কেবা জনা গিৰীয়েকৰো মুৰ খায়, শেষত দাসী হৈ দিন কটাব লগাত পৰে।

১৩। যি তিৰোতাৰ ভৰিৰ কেয়া আঙ্গুলী খোজ কাঢোতে মাটি নেচোৱে, তেওঁ প্ৰথম গিৰীয়েকক মাৰি অন্য এজনৰ সহায় লয়। ভৰিৰ বুঢ়া আঙ্গুলী দীঘল [illegible] হলে গিৰীয়েক মৰে।

১৪। যি তিৰোতাৰ চকু নিলা পদুমৰ দৰে বৰণ হয় তেওঁ সুলক্ষণা। যাৰ চকু কেঁৰা, পিঙ্গল বৰণ, শ্যাম বৰণ আৰু [illegible] চৰিত্ৰা নষ্ট [illegible]। চকু [illegible] ৰঙা, [illegible] চকু হলে কুলক্ষণা [illegible]

১৫। যি তিৰোতাৰ চকু [illegible], মণি [illegible] কলা আৰু [illegible] বগা হলে সেই তিৰোতাই সুলক্ষণী। [illegible] চকু [illegible] যাৰ [illegible] পাৰৰ [illegible] চৰিত্ৰ হব তাৰ কোনো ফল নাই।

১৬। যি তিৰোতাই ৰাতি শোৱাতে দাঁত কামুৰি থাক, আৰু যি [illegible] কে ৰকি থাকে তেওঁ সুল-

ক্ষণী হলেও কুলক্ষণী বুলি জানিব। যাৰ দাঁত বিলাক দীঘল ক'লা আৰু সেৰেঙ্গা, তেওঁ দুভগীয়া আৰু সদায় দুখত পৰি থাকে, সুখনো কি বস্তু তেওঁ বিলাকে একো জানিব নোৱাৰে

১৭। যি তিৰোতাৰ দাঁত বিলাক বগা, মিহি, সমান আৰু একুৰি দুটা দাঁত থাকে তেওঁ কল্যান কাৰিণী। যাৰ দাঁত দেখিবলৈ শেষ তেওঁ বাঁৰী হয়।

১৮। যি তিৰোতাৰ জিভা বগা তেওঁ পাণ্ডৰ পৰি মৰাত ভয় যাৰ মেঘ বৰণীয় তেওঁ কন্দৰ্বা, যাৰ শকট তেওঁ দুখীয়া, যাৰ দীঘল তেওঁ নোখোৱা বস্তু খাবলৈ ইচ্ছা কৰে, আৰু যাৰ বহল তেওঁ বিলাকে খৰৰ কাম কৰাত ওস্তাদ হয়

১৯ যি তিৰোতাৰ সৰু কালত হাঁহৰ দেখিয়া গাত গামোছা লোৱা কালত কুলি চৰাই দেখিয়া আৰু গা-ভৰ কালত চাকৈ চকোৱাৰ দৰে মাত মাতিলে তেওঁ নমৰালৈকে সুখত থাকে।

২০। যি তিৰোতাৰ গাটো ননী সোনৰ দেখিয়া ক-বণ, আৰু হাতৰ তলুৱা ৰঙ্গা পদুমৰ দেখিয়া হলে তেওঁ সকলোতকৈ সুলক্ষণী হয়। যি বিলাকৰ ওঠ দুটা ডাঙৰ তেওঁ অলপতে গিৰীয়েকৰ মূৰ খায়।

২১। যি তিৰোতাৰ কৰজন হাতী শুৰৰ লেখীয়া দনী আৰু নোম নাই তেওঁ শতীৰি। নাই বহল, দ আৰু দুৰ্গন্ধ হলেও সুলক্ষণী বুলি কয়।

২২। যি তিৰোতায় গিৰীয়েকক কোনো কাম কৰি-বৰ সময়ত সাধুৰ লেখীয়াকৈ সু পৰামৰ্শ দিয়ে, সখীৰ লেখীয়াকৈ কথা ৰাখে, কোনো এটাইৰ পৰ সাঁচলে মাকৰ লেখীয়াকৈ মৰম কৰে আৰু শুশ্ৰূষা কৰে ব-শ্যাৰ লেখীয়াকৈ সন্তোষ কৰায় সেইবিলাক নাৰি-ৰত্ন বুলি কয়

২৩। যি তিৰোতাৰ ভৰিৰ তলৰ ওঠ বঙ্গা, নখখিনি ঘুণীয়া আৰু মঙহাল, ভৰি নিলাক কৰ নিৰ ফুলৰ দৰে ৰঙা মঙহ বুলি নোহোৱা তাইক তেওঁক সুলক্ষণী বুলি কয়। কপাল উঠি থকা হলে দুখ, ওখ দীঘল হলে দেওৰেক আৰু যোনী ডাঙৰ হলে গিৰীয়েকৰ মূৰ খায়

২৪। যি তিৰোতাৰ নাকৰ আগত তিল বা মাহ থাকে, দাঁত আৰু জিভ কলা, তেওঁ দহ দিনৰ ভিত-ৰতে গিৰীয়েকৰ মূৰ খায়।

২৫। যি তিৰোতাৰ গাটো অকুৰূপ আৰু নোম থা-কে আৰু পিয়াহ দুটি হয়, সেই তিৰোতাই কেতিয়াও সৌভাগ্য লাভ কৰিব নোৱাৰে যাৰ ডিঙ্গি সৰু আৰু

গুহ্য দীঘল তেওঁ জাতৰ বাহিৰ হয়। বিশেষ ডিঙি শকত হলে যে দন্দুৰি নহব তাৰ কোনো ভুল নাই।

২৬। যিবিলাক তিৰোতাৰ নখত বগা ফোট থাকে তেওঁবিলাকক অসন্ত বুলি জানিব। যাৰ বুকুত তিল বা অন্য কোনো ৰকমৰ চিন থাকলে সৌভাগ্যবতী হয়।

২৭। যি তিৰোতাৰ সোঁ কালৰ পিয়াহত ৰঙা তিল থাকে তেওঁৰ চাৰিটা পোৱালি আৰু দুটা লৰা জনম হয়। যাৰ বাওঁ কালৰ পিয়াহত তিল বা অন্য কোনো ৰকমৰ ৰঙা চিন থাকে তেওঁৰ কেৱল লৰা এটি জনম হয় কিন্তু অৱশেষত বাঁজী হয়।

২৮। যি [illegible] সোঁ কালে কপালত, ওঁঠত হাতত, কান্ধত [illegible] মাটি [illegible] থাকে তেওঁৰ [illegible] হয় যাৰ [illegible] ৰঙা মাচ থাকে তেওঁ [illegible] গৰ্ভৱতী হয়

২৯। [illegible] যি তিৰোতাৰ গাল কলপ ৰঙা হয় হয় তেওঁ [illegible] খায়। যি বিলাকৰ [illegible] হয় তেওঁৰ বিবাহকৰ সুখ নহয় [illegible] পূৰ্ণ কাৰ আৰু [illegible] হয়

৩০। যি তিৰোতাৰ ওঁঠ ৰাঙল, কথা বিলাক কঠুৱা

আৰু ওঠ ফটা তেওঁ বৰ দন্দুৰী হয়। যাৰ পেট ডাঙৰ তেওঁ শক্তি আৰু দুৰ্ভাগিনী। মাইকীৰ পেট দীঘল হলে সাহুৰ বা দেওৰেকৰ মৃত্যু খায় আৰু কলহ বা মৃদঙ্গৰ দেখিয়া হলে দুখীয়া হয়।

৩১। যি গাভৰুৰ ভৰিৰ তলুৱাত বজ্র বা পদ্মৰ চিন থাকে তেওঁ ৰাণী হবলৈ পায় আৰু তেওঁৰ কেতিয়াও দুখ নহয়।

৩২। যি গাভৰুৰ পিঠি বহল তেওঁ দুৰ্ভাগিনী, যাৰ সমান তেওঁ ভাগ্যৱতী আৰু যাৰ ওখ তেওঁ অসতী হয়

৩৩। যি গাভৰুৰ খোজ কাঢ়োতে ভৰিৰ কেঁয়া আঙুলী টো ইটো অঙুলীৰ ওপৰত উঠেহি তেওঁক কেতিয়াও বিয়া কৰাব নেলাগে অৰ্থাৎ তেওঁৰ পৰা একো সুখ সম্ভোগ কৰিব নোৱাৰি।

৩৪। যাৰ ভৰি তলুৱা মঙহোৱাল, কোমল, সেন্দুৰৰ দেখিয়া বৰণ আৰু সদায় ঘামি থাকে সেই গাভৰু বৰ চৰকী হয় আৰু কোনো বস্তুৰ নাটনি নপৰে।

৩৫। যাৰ ভৰি তলুৱা সেঁতা আৰু শুকান মুৱা অৰ্থাৎ নিৰস সেই গাভৰুৰ কেতিয়াও সুখ নহয় ইয়াক নিশ্চয় জানিব।

৩৬। যি গাভৰুৰ খোজ কাঢ়োতে ভৰি তলুৱাৰ পৰা।

ওপৰলৈ ধুলি উঠি আছে অৰ্থাৎ খোজত ধুলি উৰি উৰি আছে তেওঁ বৰ কুলক্ষণী, পৰাপক্ষত তেওঁক সহ ধাৰ্ম্মিণী কৰা যুগুত নহয়।

৩৭। যাৰ কৰঙ্গনত নোম নাই, সমন আৰু শিৰ নোলোৱা সেই গাভৰুক হে সুলক্ষণী বুলি কয়, এতেকে তেওঁ অকুৰূপা হলেও বিয়া কৰোয়া উচিত।

৩৮। যি গাভৰুৰ পেটৰ ওপৰৰ শিঃ বিলাক নে-দেখি, পেটতো তললৈ নমা আৰু পেৰ চাল লুপ্ ধুপ্ কৰে কোমল তেওঁ বৰ সুখী হয়

৩৯। যাৰ কাযলক্তি সমান তেওঁ সদা সুখত থাকে, আৰু যাৰ খাল হয় তেওঁৰ সদায় দুখহয় ইহ জন-মত তেওঁ কেতিয়াও সুখৰ মুখ দেখিবলৈ নেপায়।

৪০। যি গাভৰুৰ পিঠিত নোম থাবেআৰু মঙ্গহী-য়াল তেওঁ বাৰী ভাত খাবলৈ পায়।

৪১। যাৰ বুকুৰ মাজত নোম নেথক তেওঁ বৰ চহকী হয় আৰু সেই গাভৰুক গিৰিয়েকে বৰ মৰম কৰে আৰু আঁতৰা আঁতাৰ হৈ কে. দিন থাকিব নোৱাৰে।

৪২। যি গাভৰুৰ হাতৰ তলুৱা কোমল আৰু বেছি আঁক নেথাকে তেওঁক বৰ সুলক্ষণী বুলি কয়।

৪৩। যিগাভৰুৰ হাতৰ আঙুলী বিলাক হেবেলা, বেঁকা আৰু ইটোৱে সিটোৱে লগালে সেৰেঙা হৈ থাকে তেওঁ সদায় নানা ৰকম বেমাৰত কষ্ট পায়।

৪৪। যিগাভৰুৰ চকু দুটা হাতিৰ চকুৰ দৰে তেওঁ বৰ কুলক্ষণী বুলি জানিব।

৪৫। যিগাভৰুৰ চুলি বিলাক ভোমোৰাৰ দৰে ক্যেঁচ ক্যেঁচ কৰেকলা তেওঁ নমৰালৈকে সুখতে থাকে।

---:o:---

কন্যা-কাল হোৱা মাহৰ ফল।

১। বহাগ মাহত কন্যা কাল হ'লে সকলোৱে সৰ-মীয়াল তাক স্বভাৱ চৰিত্ৰ ভাল হয় তাৰ কেনো ভুল নাই।

২। জেঠ কন্যাকাল হলে বৰ দুখ পায় অৰ্থাৎ মনত কেতিয়াও সুখ নহয়।

৩। আহাৰত কন্যাকাল হ'লে স্বামী বৰ চহকী হয় আৰু সুখ থাকে।

৪। শাওণত কন্যা কাল হ'লে দুখীয়া হয়।

৫। ভাদ কন্যাকাল হলে নানা ৰকম বেমাৰ হৈ শৰীৰক ন কৰে।

৬। আহিনত কন্যাকাল হলে নঃখালৈকে দুখ ভুগে

৭। কাতিত কন্যাকাল হলে জাত্যান্তৰ হয়, অৰ্থাৎ বেশ্যা

৮ আঘোনত কন্যাকাল হলে সকলোৰে মৰমীয়াল হয় আৰু পাপ কামত মন নিদিয়ে

৯ পুহত কন্যা কাল হলে স্বভাৱ চৰিত্ৰ ভাল হয় আৰু কোনো বেয়া কামলৈ মন নেমেলে।

১০ মাঘত কন্যা কাল হলে পতিব্ৰতা হয়।

১১ ফাগুনত কন্যা কাল হলে স্বভাৱ চৰিত্ৰ ভাল হয় আৰু সকলোৰে মিলি থাকি পাৰে। তেওঁ কিন্তু জৰ লগা ছোৱালীৰ পৰা দুখ পায়

১২ চ'তত কন্যাকাল হলে ভাল বস্তু বৰ গাকিয়াল হয়।

———:•:———

বাৰৰ ফল।

১ সোমবাৰে কন্যাকাল হলে পতিব্ৰতা, মঙ্গলবাৰে অসতী, বুধবাৰে সুখীয়া বৃহস্পতিবাৰে বৰ চহকী, শুক্ৰবাৰে সুখীয়া, শনিবাৰে বাঁজী আৰু দেওবাৰে বৰ দুখীয়া হয়।

২। দিনত কন্যাকাল হলে তেওঁৰ ওপৰত লক্ষ্মী

সদায় হয়।

৩। ৰাতি কন্যাকাল হলে সুলক্ষণী হয়।

৪। ৰাতি পুৱা বা গধূলি কন্যাকাল হলে তেওঁ বাজি হয় আৰু সদায় দুখত থাকে।

ডেকাৰ লক্ষণ।

১। যি ডেকাৰ ভৰিৰ তলুৱাত বজ্র। চুলাছুলনিৰ চিন থাকে তেওঁৰ ঘৰত সদায় লক্ষ্মী বাস কৰে।

২। যি ডেকাৰ নাইটো দ তেওঁ ধন ধৰ্ম্মবান হয় আৰু সদায় সুখত থাকে।

৩। যি ডেকাৰ পেট মহান তেওঁ ভোগালি, যাৰ টেকেলিখা আৰু দীঘলিয়া তেওঁ দুখীয়া হয়।

৪। যি ডেকাৰ গলধন ডাঙৰ, গৰু বা ঢলদিলৰ লেখিয়া তেওঁৰ বৰ সুখ আৰু ধন সম্পত্তি হয়।

৫। যি ডেকাৰ হাতৰ তলুৱা খাল তেওঁ বৰ চহকী হয় যাৰ ওখ তেওঁ দানী হয় আৰু যাৰ খাল বাম থাকে তেওঁ কুলক্ষণা বুলি জানিব।

৬। ডেকাৰ হাতৰ তলুৱা ৰঙা গোলাপ ফুলৰ বৰণ

হৈ থাকে তেওঁ বৰ অময়া সুখত থাকিব তাৰ কো-
নো ভুল নাই।

৭। যি ছেকাৰ 'ডবোতা মানুহৰ লেখিয়া মুখ তেওঁ পুত্ৰবান হয়, যাৰ মুখ অতয়নী তেওঁ দুখিয় হয়, যাৰ মুখ দুৰণায় তেওঁ চহকী হয় আৰু যাৰ দীঘলীয়া তেওঁ দুখিয়া হয়।

৮ যি ছেকাৰ মুখ কোনৰ লেখিয়া তেওঁৰ [illegible] হয় আৰু যাৰ গাত [illegible] তেওঁ সদায় দুখ [illegible] থাকে।

৯ যি ছেকাৰ মুখ [illegible] আৰু [illegible] মুখৰ [illegible] তেওঁ সকলোৰে [illegible] আৰু প্ৰশংসনীয় হয়।

১০ যি ছেকাৰ চকু বক [illegible] যাৰ কুকুৰৰ লেখিয়া তেওঁ সকলো কাম কাৰত পাৰ্গত হয়

১১। যি ছেকাৰ [illegible] বিলাক [illegible] লেখিয়া পাইল তেওঁ নপুংসক হয় যাৰ [illegible] দুৰ্গন্ধ হয় আৰু যাৰ নখত তেজ নাই তেওঁৰ বৰ কথা চহকী হয়

১২। যি ছোৱালীয়ে আহুলীৰ পাৰ বিলাক দীঘল তেওঁ পুত্ৰ লাভ কৰে, স্বামীৰ বৰণীয়া হলে সদায় সুখত থাকে আৰু মনত কোনো দুখ বেজাৰ নোপোৱাকৈ দিন কটাই।

——:o.——

সহবাস কৰাৰ নিয়ম।

১। কোনো গাভৰুৰ ঋতু বা পাচৰ দাঁতিৰ হলে, তেওঁৰ লগত তিনি দিনলৈকে সহবাস কৰিব নেপাই। আনকি সেই গাভৰুক চুবই নেপাই কিয়নো :—

প্ৰথম দিন————চণ্ডালিনী
দ্বিতীয় দিন————পাপীয়সী
তৃতীয় দিন————ভ্ৰষ্টা

সেই তিনি দিন কোনো দিনাই পচৰ দাঁতিৰ ছোৱালী গাভৰুৰ লগত [illegible] কাৰণৰ নিমিত্তে [illegible] উচিত নহয় অযুক্ত।

২। পাচৰ দাঁতিৰ ছোৱালী গাভৰুৰ লগত প্ৰথম দিন সহবাস কৰিলে পুৰুষৰ আয়ুস নাশ হয়। দ্বিতীয় দিনাই [illegible] সেই ৰোগ পেটতে মৰে।

তৃতীয় দিনৰ ঔৰষত গৰ্ভ হলে সেই লৰা বা ছোৱালী উপজি অলপ দিনৰ পাছতে মৰে। চতুৰ্থ, ষষ্ঠ অষ্টম, নৱম দশম, দ্বাদশ, চতুৰ্দশ, পঞ্চদশ, আৰু ষোড়শ দিনৰ ঔৰষত গৰ্ভ হলে সেই লৰা ছোৱালী দুখীয়া হয় আৰু সেই লৰা ছোৱালীৰ পৰা সুখ নহয়। পঞ্চম দিনৰ ঔৰসত গৰ্ভ হলে সেই লৰা ছোৱালী হৈ ভাল আৰু লক্ষণা হয়। সেই লৰা ছোৱালীয়ে সুখত থাকে আৰু মাক বাপেকৰ নাম ৰাখি নিজেও দহ জনৰ প্ৰশংসনীয় হৈ সকলোৰে [illegible] দৰে ঝিলিকি থাকে। সপ্তম দিনৰ ঔৰসত গৰ্ভ নহয়। একাদশ আৰু ত্ৰয়োদশৰ ঔৰসত [illegible] লৰা ছোৱালী হয়, সেই লৰা ছোৱালীয়ে মাক বাপেকৰ মুখ খায়।

৩। আগ নিশাৰ ঔৰসত যদি লৰা ছোৱালী হয়, তাহাতে উপজি অলপ দিনতে মৰে। মাজ নিশা দুৰ্ভাগীয়া হয় আৰু শেষ নিশাৰ ঔৰসত লৰা ছোৱালী হলেই ভাল। বিশেষ শাস্ত্ৰই কৈছে যে শেষ নিশাই সহবাসৰ সময়।

৪। অমাবস্যা, দেওবাৰ একাদশী, অষ্টমী, চতুৰ্দশী আৰু সংক্ৰান্তি দিনা সহবাস কৰিব নেপায়। দিনত সহবাস কৰিলে পৰমায়ু নষ্ট হয়।

* ৫। সোল দিনব ভিতবত প্রথম, দ্বিতীয়, তৃতীয়, চতুর্থ একাদশ আৰু ত্রয়োদশ এই কেদিনব বাহিবে বাকি কেইদিনতহে সহবাস কবাব নিয়ম।

বিয়াব উপযুক্ত মাহ।

প্রধানকৈ এই তিনটা মাহক বিয়া কবাব সময়:—

প্রথম———————অগ্রাণ

দ্বিতীয়———————ফাগুন

তৃতীয়———————বৈশাখ

১। অশ্বিনী পূর্ব্ব নক্ষত্র যুক্ত, তিনি উত্তবাও যুক্ত- লিঙ্গ, ব আব দশমী যুক্ত, বা ২ দেশোয কতকৈ বব দিব নপাবে, তেই দিনা এব চতুর্দ্দশীয় ভাত একাই মিত্তব কুটুম সকলোকে গোট খাই আনন্দেবে শুভ কার্য্যত লাগে দবা কন্যাক স্নান কবুৱাই নানা বকমব নাচ বাগ কবি শুভ কার্য্য সমাধ কবিব পাবে।

অর্থাৎ পাপব বাহিব হোৱাব দিনব ৫ম, ষোল দিন পাপ হোৱাব দিনব

২। ফাগুণত বসন্তকাল, এই সময়ত সকলোৰে মন আনন্দ হয় কিয়নো নানা ৰকমৰ ফুলৰ গোন্ধ আৰু হবেক ৰকমৰ চৰাইৰ মাত শুনি ডেকা গাভৰুৰ প্ৰেমৰ ভাব হৈ আনন্দত বিভোল হৈ থাকে, সেই দেখি এই মাহত বিয়া কৰিলে দৰা কন্যা উভয়ৰ মনৰ বাঞ্চা পূৰ্ণ হয়

৩। বহাগত দিন কালো ভাল আৰু গাত চ'তৰ বিহুৰ বতাহ লাগি বিশেষ ডেকা গাভৰুৰ কাম বাণে বেড়ি ধৰে সেই দেখি এই মাহত বিয়া কৰিলে বিশেষ উভয়বে আনন্দ হয়।

ইয়াৰ বাহিৰে তলত লিখা মাহতো বিয়া কৰিব পাৰি কিন্তু বৰ অসুবিধা আৰু সকলোৰে খোৱা লোৱাত আৰু শোৱা খোৱাত অনেক অসুবিধা পাই।

—:০:—

ষোড়স শৃঙ্গাৰ বৰ্ণন।

দ্বিতীয়াত থাকে পদৰ ওপৰে

প্ৰতিপদে পদতল

তৃতীয়াত থাকে জানু মণ্ডলত

চতুৰ্থীত উৰুতলে।

পঞ্চমী তিথিত যোনি মণ্ডলত
ষষ্ঠিত থাকে নাভীত।
সপ্তমীত গর্ভে থাকন্ত মদন
অষ্টমী হৃদি স্থানত।
নবমীত গণে নিবাস করন্ত
দশমে থাকে কণ্ঠত।
একাদশী কলে চক্ষুত থাকন্ত
দ্বাদশে থাকে গালত।
ত্রয়োদশী পাইলে কর্ণত নিবাস
চতুর্দ্দশে মস্তকত।
অমাবস্যা পাইলে সমস্ত কাম
সর্ব্বগাত্রে পূর্ণিমাত।



জ্ঞাননী।



আমার প্রণীত ও লিখা পুঁথি বিলাক পাব আৰু অন্য পুথি কাগজ কলম ইত্যাদি সকলো বস্তু বথ কৈছে পত্ৰ পালেই আমাকে তলপ সস্তু দামত পঠোৱা হয়

১।	[illegible] কীৰ্ত্তন	৷৵
২।	লক্ষণ চৰিত্ৰ	৷
৩।	গোপীবস্ত্ৰ হৰণ	৶৵
৪।	পুৰ্ণ [illegible] চৰিত্ৰ	৷৹
৫।	[illegible]	৵৹
৬।	[illegible]	[illegible]
৭।	[illegible]	৶৹
৮।	[illegible]	।৴
৯।	নৰকাসুৰ বধ	৶৹
১০।	শিশুপাল বধ	[illegible]

ভট্টাচাৰ্য্য এজেন্সি

বিশ্বনাথ আসাম।